السنّة النبوية وعلومها
www.sunnah.global

“আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় বাক্য হৈছে চাৰিটা : سُبْحَانَ اللّٰهِ (আল্লাহ মহা পৱিত্ৰ), وَالْحَمْدُ لِلَّهِ (যাৱতীয় প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে) وَلاَ إِلَهَ إِلاَّ اللَّهُ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই) আৰু اللّٰهُ أَكْبَرُ (আল্লাহ সৰ্বশ্ৰেষ্ঠ)। এই চাৰিটা বাক্যৰ যিকোনো এটা বাক্যৰে আৰম্ভ কৰাত কোনো অসুবিধা নাই। ”

ছামুৰা বিন জুনদুব ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে , ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে : “আল্লাহৰ ওচৰত আটাইতকৈ প্ৰিয় বাক্য হৈছে চাৰিটা : سُبْحَانَ اللّٰهِ (আল্লাহ মহা পৱিত্ৰ), وَالْحَمْدُ لِلَّهِ (যাৱতীয় প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে) وَلاَ إِلَهَ إِلاَّ اللَّهُ (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই) আৰু اللّٰهُ أَكْبَرُ (আল্লাহ সৰ্বশ্ৰেষ্ঠ)। এই চাৰিটা বাক্যৰ যিকোনো এটা বাক্যৰে আৰম্ভ কৰাত কোনো অসুবিধা নাই। ”

[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে আল্লাহৰ প্ৰিয় চাৰিটা বাক্য সম্পৰ্কে উল্লেখ কৰিছেঃ ছুবহানাল্লাহ (سُـــبْحَانَ اللّـــهِ): অৰ্থাৎ মহান আল্লাহ সকলো দোষ -ক্ৰুটিৰ পৰা পৱিত্ৰ। আলহাম্দুলিল্লাহ (وَالْحَمْـدُ لِلَّـهِ): সকলো ধৰণৰ প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবে। অৰ্থাৎ পৰিপূৰ্ণ মুহাব্বত আৰু মহত্ব সহকাৰে আল্লাহৰ গুণগাণ কৰা। লা ইলা -হা ইল্লাল্লাহ (وَلاَ إِلَـهَ إِلاَّ اللّـهُ): অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। আল্লাহু আকবাৰ (اللّـهُ أَكْـبَرُ): অৰ্থাৎ আল্লাহ সৰ্বশ্ৰেষ্ঠ , সৰ্বশক্তিমান , সৱাতোকৈ মহান। এইবোৰ বাক্যৰ ফজীলত আৰু ছোৱাব অৰ্জনৰ বাবে ধাৰাবাহিকতা বজাই ৰখাৰ কোনো প্ৰয়োজন নাই , যিকোনো এটাৰ জৰিয়তে আৰম্ভ কৰিব পাৰি।

https://sunnah.global/hadeeth/as/show/5475

النجـاة الخيرية
ALNAJAT CHARITY
لجنة الدعوة الإلكترونية
EDC
E-Da'wah Committee